**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 31-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। ভাৰত বৰ্তমান সংস্কাৰ এক্সপ্ৰেছেৰে অগ্ৰসৰ হোৱাৰ লগতে গোলকীয় আকৰ্ষণৰ কেন্দ্ৰৰূপে পৰিগণিত হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। কাশী আৰু তামিলনাডুৰ মাজৰ সম্পৰ্ক কেৱল ঐতিহাসিকেই নহয় বৰং ই এক গভীৰ সভ্যতাগত আৰু আধ্যাত্মিক সম্পৰ্ক বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে মন্তব্য কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত নীটি আয়োগৰ বিশিষ্ট অৰ্থনীতিবিদ আৰু বিশেষজ্ঞসকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ঢাকাত বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা বি এন পিৰ মুখপাত্ৰ খালেদা জিয়াৰ জানাজা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ***আৰু***

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ কালি অনুষ্ঠিত পঞ্চম তথা অন্তিমখন খেলত ভাৰতে শ্ৰীলংকাক ১৫ ৰানত পৰাজিত কৰে।

ooooo

ভাৰত, সংস্কাৰ এক্সপ্ৰেছেৰে অগ্ৰসৰ হোৱাৰ লগতে গোলকীয় আকৰ্ষণৰ কেন্দ্ৰৰূপে পৰিগণিত হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা প্ৰৱন্ধত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে সম্প্ৰতি সমগ্ৰ বিশ্বই আশা আৰু বিশ্বাসেৰে ভাৰতৰ প্ৰতি দৃষ্টি নিবদ্ধ কৰিছে। তেওঁ কয়, যে বিশ্বই পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰৰ বলত ভাৰতে লাভ কৰা বিকাশৰ গতিৰ ভূয়সী প্ৰশংসা কৰিছে। দেশৰ জনগাঁথনি, যুৱ প্ৰজন্ম আৰু দেশবাসীৰ অদম্য মনোভাৱ এই সংস্কাৰ এক্সপ্ৰেছৰ মূল চালিকা শক্তি বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে কয়, যে ২০২৫ বৰ্ষটো ভাৰতৰ বাবে সংস্কাৰৰ বৰ্ষৰূপে স্মৰণ কৰা হ'ব। চলিত বৰ্ষত বিভিন্ন খণ্ডত ঐতিহাসিক পৰিৱৰ্তন হৈছে আৰু ইয়াৰ ফলত দেশৰ বিকাশ ত্বৰান্বিত হৈছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে প্ৰতিষ্ঠানসমূহৰ আধুনিকিকীকৰণৰ লগতে শাসন ব্যৱস্থা সৰল আৰু দীৰ্ঘকালীন সৰ্বাত্মক বিকাশৰ বাবে ভেঁটি শক্তিশালী কৰিছে। শ্ৰীমোদীয়ে কয়, যে শ্ৰম আইন আৰু বাণিজ্যিক চুক্তিৰ পৰা ৰচদ-পাতি, শক্তি আৰু বজাৰ সংস্কাৰলৈকে ভাৰতৰ বিকাশ যাত্ৰা বিশ্বাসযোগ্যতা, সুস্থিৰতা আৰু নিৰ্ভৰযোগ্যতাৰ ওপৰত গঢ়ি উঠিছে। এই পদক্ষেপসমূহে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ প্ৰচেষ্টা সুদৃঢ় কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আস্থা প্ৰকাশ কৰে।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কয়, যে কাশী আৰু তামিলনাডুৰ মাজৰ সম্পৰ্ক কেৱল ঐতিহাসিকেই নহয় বৰং ই হৈছে গভীৰ সভ্যতাগত আৰু আধ্যাত্মিক সম্পৰ্ক, যিয়ে হাজাৰ হাজাৰ বছৰ ধৰি ভাৰতবৰ্ষক

একত্রিত কৰি ৰাখিছে। তেওঁ কয়, যে এনে ধৰণৰ আদান-প্ৰদানে ভাৰতৰ ঐতিহ্য আৰু ৰাষ্ট্ৰীয় সংহতিৰ ভাৱনাক সুদৃঢ় কৰে।

মহাকবি সুব্ৰমন্য ভাৰতীৰ উদ্ধৃতি দি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে কাশী তামিল সংগমমে একত্ৰিত, সংহত আৰু আত্মবিশ্বাসী ভাৰত সম্পৰ্কে মহাকবিগৰাকীৰ দৃষ্টিকোণক প্ৰতিফলিত কৰিছে। তেওঁ কয়, যে বৰ্তমান প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী আদৰ্শৰ জৰিয়তে কবি ভাৰতীৰ সপোন বাস্তৱায়িত হৈছে।

অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয়, যে কাশী তীৰৰ পৰা আৰম্ভ হৈ ৰামেশ্বৰমৰ তীৰত সম্পন্ন হ'বলগীয়া কাশী তামিল সংগমম কাৰ্যসূচীয়ে 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত'ৰ ভাৱনাক অধিক সুদৃঢ় কৰে আৰু জনসাধাৰণ, সংস্কৃতি তথা অতীতৰ সম্পৰ্কসমূহক অধিক শক্তিশালী কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত নীটি আয়োগৰ বিশিষ্ট অৰ্থনীতিবিদ আৰু বিশেষজ্ঞসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকৰ বিষয়বস্তু আছিল- **আত্মনিৰ্ভৰতা গাঁথনিগত পৰিৱৰ্তন ঃ বিকশিত ভাৰতৰ ৰূপৰেখা**। কাৰ্যসূচীত ভাষণ দি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ২০৪৭ চনৰ দিশে ভাৰতৰ যাত্ৰাৰ মূল স্তম্ভসমূহৰ বিষয়ে আলোকপাত কৰে। বিকশিত ভাৰতক ৰাষ্ট্ৰীয় আকাংক্ষা হিচাপে উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে ২০৪৭ চনলৈ বিকশিত ভাৰতৰ লক্ষ্য চৰকাৰৰ নীতিসমূহত প্ৰতিফলিত হৈছে। এই বৈঠকৰ সময়ত প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতৰ নীতি নিৰ্ধাৰণ আৰু বাজেট প্ৰক্ৰিয়া ২০৪৭ চনৰ লক্ষ্যৰ ভিত্তিত হোৱা উচিত। বৈঠকত ঘৰুৱা সঞ্চয়, শক্তিশালী বুনিয়াদী বিকাশ আৰু অত্যাধুনিক প্ৰযুক্তিৰ জৰিয়তে সংস্কাৰমূলক পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই বৈঠকত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ, নীটি আয়োগৰ উপাধ্যক্ষ সুমন বেৰীৰ লগতে শংকৰ আচাৰ্য, অশোক ভট্টাচাৰ্য, এন আৰ ভানুমূৰ্তি, অমিতা বাট্ৰা আৰু জন্মেজয়া সিনহাকে ধৰি বিশিষ্ট অৰ্থনীতিবিদ আৰু বিশেষজ্ঞসকল উপস্থিত থাকে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ঢাকাত বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা বি এন পিৰ মুখপাত্ৰ খালেদা জিয়াৰ জানাজা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই জানাজাত ড০ জয়শংকৰে ভাৰত চৰকাৰ আৰু ভাৰতৰ জনসাধাৰণক প্ৰতিনিধিত্ব কৰিব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে বাংলাদেশৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী খালেদা জিয়াৰ কালি ঢাকাত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ। ঢাকাৰ জাতীয় সংসদ ভৱন আৰু মাণিক মিয়া এভিনিউৰ ছাউথ প্লাজাত বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক জানাজা সম্পন্ন কৰা হ'ব। এই জানাজাত দক্ষিণ আৰু দক্ষিণ পূব এছিয়াৰ কেইবাখনো দেশৰ প্ৰতিনিধি উপস্থিত থকাৰ কথা আছে।

০০০০০

সেনাই কাৰ্যকৰী নিয়োগ আৰু প্ৰতিৰোধৰ দিশত আলোকপাতেৰে ২০২৫ চনত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। ইয়াৰ মাজত উল্লেখযোগ্যভাৱে, পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ২০২৫ চনৰ মে' মাহত আৰম্ভ কৰা অপাৰেচন সিন্দূৰৰ জৰিয়তে ৯টা সন্ত্ৰাসবাদী শিবিৰ ধ্বংস কৰা হয় আৰু সীমান্তৰ সিপাৰৰ ৭টা শিবিৰ নিষ্ক্ৰিয় কৰা হয়। এই আক্ৰমণ পৰিকল্পনা অনুযায়ী সম্পূৰ্ণ কাৰ্যকৰী আৰু নিখুঁত আছিল। ইয়াৰ উপৰিও নিয়ন্ত্ৰণ

ৰেখাৰ কাষৰ ডজনৰো অধিক সন্ত্ৰাসবাদী লঞ্চ পেড ধ্বংস কৰা হয়। ব্ৰাহ্ম'ছ আৰু পিনাকা ব্যৱস্থাৰ ক্ষেত্ৰতো সেনাই এইবৰ্ষত অগ্ৰগতি লাভ কৰিছে। দক্ষিণ কমাণ্ডৰ এটা ব্ৰহ্মোস ইউনিটে এটা যুদ্ধ ক্ষেপণাস্ত্ৰ নিক্ষেপ সম্পাদন কৰিছে আৰু পিনাকাও সফলভাৱে পৰীক্ষা কৰা হৈছে - যি অধিক নিখুঁত গভীৰ আগ্নেয়াস্ত্ৰৰ দিশত এটি গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি গণ্য কৰা হৈছে। সেনাই তেওঁলোকৰ দীঘলীয়া পৰিকল্পনাৰ অংশ হিচাপে AH-64E এপাচিও লাভ কৰিছে।

লক্ষ্যণীয়ভাৱে, ভাৰতীয় সেনাই ব্যৱহাৰ কৰা মুঠ গোলা-বাৰুদৰ **৯১** শতাংশ দেশীয় বা স্থানীয়ভাৱে নিৰ্মিত। ইয়াৰ উপৰি ড্ৰোন, প্ৰায় ৩০০০ দূৰত্বৰ পৰা নিয়ন্ত্ৰিত বিমান, তাৰেৰে সংযুক্ত প্ৰায় **১৫০**টা ড্ৰোন আৰু স্বাৰ্ম বা ড্ৰোনৰ গোটকে ধৰি বিভিন্ন মানৱবিহীন সেৱাৰ ব্যৱস্থাও কৰা হৈছে । এই বৰ্ষত সেনাই প্ৰযুক্তিৰ দিশটোকো বিশেষ প্ৰাধান্য দিছে। তদুপৰি ফ্ৰান্স, আমেৰিকা, থাইলেণ্ড, অষ্ট্ৰেলিয়া, সংযুক্ত আৰৱ আমিৰীকে ধৰি বিভিন্ন পক্ষৰ সৈতে আন্তঃকাৰ্যক্ষমতা, সন্ত্ৰাসবাদ দমন, আঞ্চলিক অংশীদাৰিত্ব সুদৃঢ়কৰণকে ধৰি বিষয়সমূহক লৈ দ্বিপাক্ষিক অনুশীলনো সম্পন্ন কৰা হৈছে। ইয়াৰ লগতে নিৰাপদ আৰু উন্নত ভাৰত নিৰ্মাণৰ লক্ষ্যৰে সংস্কাৰ-পৰিৱৰ্তনৰ বিষয়বস্তুৰ আধাৰত এইবৰ্ষতে চাণক্য প্ৰতিৰক্ষা আলোচনাৰো আয়োজন কৰা হয়।

০০০০০

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰাম মোহন নাইডুৱে কালি বেংগালুৰুত ধ্ৰুৱ এন জি হেলিকপ্টাৰৰ প্ৰথমটো উৰণৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে। হিন্দুস্তান এৰ’ন’টিক্স লিমিটেডে এন জি, অৰ্থাৎ নেক্সট জেনেৰেচন ধ্ৰুৱ হেলিকপ্টাৰখনক অসামৰিক পৰিবহণৰ বাবে সাজু কৰি চলিত বৰ্ষৰ এৰ’ ইণ্ডিয়া প্ৰদৰ্শনীত দেশবাসীৰ আগত দাঙি ধৰিছিল। ৬ৰ পৰা ১৪ গৰাকী যাত্ৰী কঢ়িয়াব পৰা এই হেলিকপ্টাৰখনক পৰ্যটন তথা পৰিবহণৰ লগতে দুৰ্যোগ আৰু বান ব্যৱস্থাপনাৰ দৰে অসামৰিক খণ্ডত ব্যৱহাৰ কৰা হ’ব। হেলিকপ্টাৰখনত থলুৱাভাৱে বিকশিত **শক্তি** ইঞ্জিন ব্যৱহাৰ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে যুৱ লেখকসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে পি এম যুৱা তৃতীয় সংস্কৰণৰ অধীনৰ ফলাফলসমূহ ঘোষণা কৰিছে। ইয়াৰ অধীনত ২২টা ভাৰতীয় ভাষা আৰু ইংৰাজীৰ ৪৩ খন গ্ৰন্থ প্ৰস্তাৱনা বাছনি কৰা হৈছে। শিক্ষা মন্ত্ৰালয়ে কৈছে যে নিৰ্বাচিত গ্ৰন্থ প্ৰস্তাৱনাসমূহ ছমাহৰ ভিতৰতেই বিশিষ্ট শিক্ষাবিদৰ তত্বাৱধানত গ্ৰন্থ হিচাপে প্ৰকাশ কৰা হ’ব। তেওঁ লগতে কয়, যে নিৰ্বাচিত প্ৰতিগৰাকী লেখকে প্ৰতিমাহে ৫০ হাজাৰ টকাকৈ জলপানি লাভ কৰাৰ লগতে তেওঁলোকৰ প্ৰকাশিত গ্ৰন্থসমূহত আজীৱন ১০ শতাংশকৈ ৰয়েল্টি লাভ কৰিব।

০০০০০

দিল্লী চৰকাৰে দিল্লী জন বিশ্বাস (সংশোধনী) বিধেয়ক, ২০২৬ত অনুমোদন জনাইছে। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই জনাইছে যে দিল্লীৰ কেবিনেটে অনুমোদন জনোৱা বিধেয়কখনৰ লক্ষ্য অনুপালন প্ৰক্ৰিয়াক সৰল কৰাৰ লগতে সামান্য নীতি উলংঘাক অপৰাধমুক্ত তথা আদালতত গোচৰৰ সংখ্যা হ্ৰাস আৰু প্ৰশাসনিক দক্ষতা বৃদ্ধি কৰা।

২০২৬ বৰ্ষৰ ৫ জানুৱাৰীৰ পৰা আৰম্ভ হ’বলগীয়া দিল্লী বিধানসভাৰ শীতকালীন অধিৱেশনত বিধেয়কখন গৃহীত হ’ব বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমতী গুপ্তাই কয় যে, এই

বিধেয়কখনৰ উদ্দেশ্য আইন-শৃংখলাহীনতাক উৎসাহিত কৰা নহয়, বৰং শাস্তিৰ সমানুপাতিকতা নিশ্চিত কৰাহে। বিধেয়কখনে কাৰ্যকৰী হোৱাৰ পাছত প্ৰতি তিনি বছৰৰ মূৰে মূৰে স্বয়ংক্ৰিয়ভাৱে ১০ শতাংশ জৰিমনা বৃদ্ধিৰ প্ৰস্তাৱো আগবঢ়োৱা হৈছে।

০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা ক্ৰিকেট দলৰ টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ কালি তিৰুৱনন্তপুৰমত অনুষ্ঠিত পঞ্চম তথা অন্তিমখন খেলত ভাৰতে শ্ৰীলংকাক ১৫ ৰানত পৰাজিত কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৭৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই নিৰ্ধাৰিত অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬০ ৰানহে কৰিবলৈ সমৰ্থ হয়। হৰমনপ্ৰীত কৌৰক প্লেয়াৰ অৱ দা মেচ আৰু শেফালী বাৰ্মাক প্লেয়াৰ অৱ দা ছিৰিজ ঘোষণা কৰা হয়। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতৰ মহিলা দলটোৱে শৃংখলাৰ আটাইকেইখন খেলতে জয়লাভ কৰি বিশেষ কৃতিত্ব অৰ্জন কৰিছে।

০০০০০

সমাপ্ত